# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 17-02-2025
**Time :** 1845 hrs

ASSAMESE EVENING BULLETIN

:::::::::::::::::::

কোকৰাঝাৰৰ বিটিচিৰ বিধায়িনী ভৱনত আজি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে অসম বিধানসভাৰ বাজেট অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচী আৰম্ভ হয়।

ৰাজ্যপালগৰাকীয়ে তেওঁৰ ভাষণত ৰাজ্যৰ অৰ্থনৈতিক বিকাশ, কল্যাণমূলক আঁচনি তথা সম্প্ৰতি ৰাজ্যখনে বিভিন্ন ক্ষেত্ৰত লাভ কৰা সাফল্যৰ বিষয়ত আলোকপাত কৰে। শ্ৰীআচাৰ্যই কয়, যে বিগত দশকত অসমে ১২ দশমিক ৬ শতাংশ চক্ৰবৃদ্ধি বাৰ্ষিক বিকাশৰ হাৰৰ জৰিয়তে অৰ্থনৈতিক বিকাশত উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে। তেওঁ লগতে কয়, যে অসমে গুজৰাটৰ সমানে দেশৰ ছেমি কণ্ডাক্টৰ উদ্যোগত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ দিশে অগ্ৰসৰ হৈছে। বিটিআৰ চৰকাৰে আন্তঃগাঁথনি উন্নয়ন তথা কল্যাণমূলক আঁচনিৰ ৰূপায়ণৰ জৰিয়তে জনসাধাৰণৰ উন্নয়ন সাধন কৰিবলৈ সমৰ্থ হৈছে বুলি উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে কয়, যে গুড উইল অভিযানৰ অধীনত বিটিআৰত ৭০০ কিলোমিটাৰ উন্নত পথ যোগাযোগ ব্যৱস্থা সম্পূৰ্ণ কৰাৰ লগতে ২০২২-২৩ বৰ্ষৰ পৰা মুখ্যমন্ত্ৰী পথ নৱীকৰণ আঁচনিৰ অধীনত ৪০০ কিলোমিটাৰ পথ নিৰ্মাণ কৰা হৈছে।

ৰাজ্যপালগৰাকীয়ে তেওঁৰ ভাষণত অসমীয়া ভাষাই লাভ কৰা ধ্ৰুপদী ভাষাৰ মৰ্যাদা, চৰাইদেউ মৈদামলৈ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি আদি বিভিন্ন প্ৰসংগ উল্লেখ কৰে। তদুপৰি অসম চৰকাৰে ইতিমধ্যে ২৪ লাখৰো অধিক মহিলালৈ আগবঢ়োৱা অৰুণোদয় আঁচনিৰ সুবিধা, ষ্টাৰ্টআপ প্ৰতিষ্ঠানলৈ আগবঢ়োৱা উৎসাহজনক সহায়-সহযোগৰ বিষয়েও তেওঁ জানিবলৈ দিয়ে।

শ্ৰীআচাৰ্যই মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান, মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান, পি এম কিষাণ সন্মান নিধি, আয়ুষ্মান ভাৰতকে ধৰি বৰ্তমানৰ চৰকাৰৰ বিভিন্ন ইতিবাচক পদক্ষেপৰ বিষয়ে উল্লেখ কৰি কয়, যে এনে আঁচনিসমূহে ৰাজ্যখনক ক্ৰমান্বয়ে দেশৰ আন অংশৰ সৈতে অধিক সক্ৰিয় তথা গতিশীলভাৱে জড়িত কৰিবলৈ সমৰ্থ হৈছে।

অভিলেখ সৃষ্টিৰ উদ্দেশ্যে অহা ২৪ ফেব্ৰুৱাৰীত আয়োজন কৰা  ঝুমুৰ নৃত্যৰ বিশেষ অনুষ্ঠানটোৰ বিষয়ে উল্লেখ কৰি তেওঁ এই অনুষ্ঠানে অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনক অধিক সমৃদ্ধ কৰিব বুলি আশা প্ৰকাশ কৰে। ৰাজ্যপালৰ ভাষণৰ মাজতে ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে কেতবোৰ প্ৰসংগ উত্থাপন কৰাৰ চেষ্টা চলাই যদিও ৰাজ্যপালে তেওঁৰ ভাষণ অব্যাহত ৰাখে। ৰাজ্যপালৰ ভাষণৰ পাছতে ডেৰ ঘণ্টাৰ বাবে সদন স্থগিত ৰখা হ'ব বুলি অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে ঘোষণা কৰে।

ইয়াৰ পূৰ্বে বাজেট অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে মন্ত্ৰী-বিধায়কসকল কোকৰাঝাৰত উপস্থিত হোৱাৰ পাছত তেওঁলোকক বিটিচিৰ বিধায়িনী ভৱনত আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয়। অধিৱেশনৰ কাৰ্যসূচীৰ আৰম্ভণিতে  বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে আদৰণি ভাষণত কোকৰাঝাৰত এই অধিৱেশনৰ আয়োজন কৰা পদক্ষেপক ঐতিহাসিক বুলি অভিহিত কৰি ইয়াৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শলাগ লয়।

উল্লেখযোগ্য যে বাজেট অধিৱেশনৰ বাকী কেইদিনৰ কাৰ্যসূচী গুৱাহাটীৰ অসম বিধানসভা ভৱনত অনুষ্ঠিত হ'ব। এই অধিৱেশনত ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত অঞ্চলসমূহৰ আৰ্থ-সামাজিক আৰু সামগ্ৰিক উন্নয়ন, ২০২৪-২৫ বৰ্ষৰ পৰিপূৰক দাবী আৰু পৰিপূৰক বিনিয়োজনৰ তালিকা উপস্থাপন আদিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ দিশ উত্থাপন কৰা হ'ব।

০০০০০

অহা ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীৰ সৰুসজাইত হ'বলগীয়া ঝুমুইৰ বিনন্দিনী অনুষ্ঠানত অংশগ্ৰহণৰ বাবে ৰাজ্যৰ জিলাই জিলাই ব্যাপক প্ৰস্তুতি চলিছে। চৰাইদেউ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি এই সন্দৰ্ভত অতিৰিক্ত জিলা আয়ুক্ত শ্ৰৱণা সোণোৱালৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি অহা ২০ ফেব্ৰুৱাৰীত অংশগ্ৰহণকাৰীসকলক বাছযোগে গুৱাহাটীলৈ প্ৰেৰণ কৰা হ'ব। এই বৈঠকতে চাহ বাগিচাসমূহৰ কৰ্তৃপক্ষক নিজ নিজ চাহ বাগিচাত অহা ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া ঝুমুইৰ বিনন্দিনীৰ মূল কাৰ্যসূচী পোনপটীয়াভাৱে দেখুওৱাৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনোৱা হয়। উল্লেখযোগ্য যে এই অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৭ হাজাৰ ৫০০ গৰাকী চাহ জনগোষ্ঠীৰ শিল্পীয়ে ঝুমুৰ নৃত্য পৰিৱেশন কৰিব। ইয়াৰ ভিতৰত চৰাইদেউ জিলাৰ ৫৪৪ গৰাকী শিল্পী আছে।

ooooo

স্বচ্ছ আৰু প্ৰদূষণমুক্ত পৰিৱেশৰ লক্ষ্যৰে ভাৰতীয় ষ্টেট বেংকৰ কুলাজান শাখাই আজি চিলাপথাৰ পৌৰসভাক ১০০টা ডাষ্টবিন প্ৰদান কৰে। পৌৰসভা কৰ্তৃপক্ষই কুলাজান শাখাৰ এই পদক্ষেপৰ শলাগ লৈ কয়, যে ইয়াৰ জৰিয়তে চহৰখনক চাফ-চিকুণ কৰি ৰখাৰ ক্ষেত্ৰত জনসাধাৰণকো সজাগ কৰিব পৰা যাব। পৌৰসভা কৰ্তৃপক্ষই স্বচ্ছতাৰ প্ৰতি লক্ষ্য ৰাখি জনসাধাৰণক য'তে-ততে জাবৰ-জোঁথৰ পেলোৱাৰ পৰিৱৰ্তে ডাষ্টবিন ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে।

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে অনলাইন বিত্তীয় অনিয়মৰ গোচৰত তিনিজন অভিযুক্তৰ জামিন নাকচ কৰিছে। ডিব্ৰুগড় জিলাৰ বৰবৰুৱা থানাত ৰুজু হৈ থকা গোচৰৰ ভিত্তিত আজি উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ ৰবীন ফুকনৰ বিচাৰপীঠে বিশাল ফুকন, চুমি বৰা আৰু তেওঁৰ স্বামী তাৰ্কিক বৰাৰ জামিন নাকচ কৰে। উল্লেখযোগ্য যে ট্ৰেডিং অৰ্থাৎ অনলাইন বিত্তীয় লেনদেনত অনিয়মৰ গোচৰত কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাই পূৰ্বে এই তিনিজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছিল। পৰৱৰ্তী সময়ত উচ্চ ন্যায়ালয়ত আটাইকেইজনে জামিন লাভ কৰিছিল যদিও বৰবৰুৱা থানাত ৰুজু হৈ থকা গোচৰৰ পৰিপ্ৰেক্ষিতত তিনিওজন অভিযুক্তই কাৰাগাৰৰ পৰা মুকলি হ'ব পৰা নাছিল। আজি উচ্চ ন্যায়ালয়ে এই গোচৰটোত জামিন নাকচ কৰে।

ooooo

শিৱসাগৰ ক্ৰীড়া সন্থাৰ সৌজন্যত আজিৰে পৰা শিৱসাগৰৰ পিয়লি ফুকন ষ্টেডিয়ামত ৭০ সংখ্যক বৰদলৈ ট্ৰফীৰ উজনি অসম মণ্ডলৰ খেলসমূহ অনুষ্ঠিত হৈছে। জিলা পৰ্যায়ৰ পৰা নিৰ্বাচিত শিৱসাগৰৰ ৰাজমাই ক'চিং, মাজুলীৰ ৰিভাৰাইন ক্লাব, চৰাইদেউৰ মাহমৰা নৱজ্যোতি ক্লাব, ডিব্ৰুগড়ৰ ১৯ এপিবিএন, যোৰহাটৰ ভিক্ট'ৰিয়াছ ক্লাব আৰু তিনিচুকীয়াৰ বাৰেকুৰি ক্লাবে এই মণ্ডল পৰ্যায়ৰ প্ৰতিযোগিতাত অংশ লৈছে। মণ্ডল পৰ্যায়ৰ খেলসমূহ পৰহিলৈ সামৰণি পৰিব।

ooooo

সমাপ্ত